অসম বিধান সভা
তৰাযুক্ত প্ৰশ্ন নং ২৪২
উত্তৰ দিয়াৰ তাৰিখ-২৮-০৭-২০২৬

**বিষয়ঃ অংগনবাড়ী কেন্দ্ৰৰ সংখ্যা আৰু সমস্যা।**

**শ্ৰীমতী বেবী বেগম, বিধায়িকা**

**প্ৰশ্নঃ-**

**মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ধুবুৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত এলেকাত সৰ্বমুঠ কিমানখন অংগনবাড়ী কেন্দ্ৰ আছে আৰু ক্ষুদ্ৰ অংগনবাড়ী কেন্দ্ৰ আছে? ইয়াৰে কিমানখন আদৰ্শ অংগনবাড়ী কেন্দ্ৰলৈ উন্নীতকৰণ কৰা হৈছে ? (উত্তৰৰ সৈতে সংশ্লিষ্ট অংগনবাড়ী কেন্দ্ৰই সামৰি লোৱা শিশু -মাতৃৰ সংখ্যা, অংগনবাড়ী কেন্দ্ৰৰ প্ৰকৃতিৰ উল্লেখসহ বিস্তৃত তালিকা সংলগ্ন কৰিব)।

(খ) উক্ত অংগনবাড়ী কেন্দ্ৰসমূহৰ ভিতৰত কিমানখন স্থায়ী আৰু কিমানখন অস্থায়ী গৃহত চলি আছে? (স্থায়ী আৰু অস্থায়ী কেন্দ্ৰৰ সম্পূৰ্ণ ঠিকনাসহ বিস্তৃত তালিকা সংলগ্ন কৰিব)।

(গ) অস্থায়ী কেন্দ্ৰসমূহত স্থায়ী আৰু জৰাজীৰ্ণ অংগনবাড়ী কেন্দ্ৰসমূহত স্থায়ী গৃহ নিৰ্মাণৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? ( উত্তৰ বিস্তৃত তথ্যসহ দিব)।

(ঘ) অংগনবাড়ী কেন্দ্ৰসমূহ কি কি আধাৰ নীতিৰ ভিত্তিত ক্ষুদ্ৰ, সাধাৰণ আৰু আদৰ্শ অংগনবাড়ী কেন্দ্ৰ হিচাপে চিহ্নিত কৰা হয়? উক্ত সমষ্টিৰ যিবোৰ চুবুৰীত এতিয়াও অংগনবাড়ী কেন্দ্ৰ নাই সেইবোৰ চুবুৰীত অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে ? (উত্তৰ বিস্তৃত তথ্যসহ দিব)।

(ঙ) ধুবুৰী বিধানসভা সমষ্টিত নতুন অংগনবাড়ী কেন্দ্ৰ, ক্ষুদ্ৰ অংগনবাড়ী কেন্দ্ৰ আৰু আদৰ্শ অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ কোনো প্ৰস্তাৱ আছেনে ? চলিত বিত্তীয় বৰ্ষত নতুনকৈ কিমানখন অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব ? (উত্তৰ বিস্তৃত তথ্যসহ দিব)।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেঁওগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) অঙ্গনবাড়ী কেন্দ্ৰসমূহৰ তালিকা প্ৰকল্প ভিত্তিতহে উপলব্ধ। ধুবুৰী জিলাত ৮টা শিশু উন্নয়ন প্ৰকল্প আছে আৰু এই প্ৰকল্পসমূহত ২১৩৫ টা অঙ্গনবাড়ী কেন্দ্ৰ আছে । ইয়াৰে ২১২ টা অঙ্গনবাড়ী কেন্দ্ৰ আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ হিচাপে অনুমোদন কৰা হৈছে আৰু ইয়াৰ নিৰ্মাণৰ কাম চলি আছে। অংগনবাড়ী কেন্দ্ৰই সামৰি লোৱা শিশু মাতৃৰ সংখ্যাৰ তালিকা প্ৰকল্প সমূহত উপলব্ধ।

(খ) অংগনবাড়ী কেন্দ্ৰসমূহ স্থায়ী আৰু অস্থায়ী গৃহত চলি থকাৰ তথ্য ও ঠিকনা সমূহ সংশ্লিষ্ট প্ৰকল্পত উপলব্ধ।

(গ) জৰাজীৰ্ণ অংগনবাড়ী কেন্দ্ৰ সমূহ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে ২০২১ চনৰ পৰা বিভিন্ন পৰ্য্যায়ত ৰাজ্যখনত আদৰ্শ অংগনবাদী কেন্দ্ৰ হিচাপে নিৰ্মাণৰ কাম কৰি আহিছে। যোৱাটো কাৰ্য্যকালত ৯০৫৪ টা আদৰ্শ অংগনবাদী কেন্দ্ৰ নিৰ্মাণৰ কাম অনুমোদন জনোৱা হৈছিল আৰু ইয়াৰে ৪৪২৩ টাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে আৰু ৪৬৩১ টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ নিৰ্মাণৰ কাম চলি আছে।

(ঘ) অংগনবাড়ী কেন্দ্ৰসমূহ সাধাৰণ বা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ হিচাপে চিহ্নিত কৰাত কোনো নিৰ্দ্দিষ্ট নীতি নাথাকে। ইতিমধ্যে ক্ষুদ্ৰ অংগনবাড়ী কেন্দ্ৰসমূহ মূল অংগনবাড়ী কেন্দ্ৰলৈ উন্নীতকৰণ কৰা হৈছে।

নতুন অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰাৰ বিষয়টো যিহেতু কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিষয় সেয়েহে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পালে ব্যৱস্থা লোৱা হব। বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ পৰা নতুনকৈ অঙ্গনবাড়ী কেন্দ্ৰ স্থাপনৰ বাবে কোনো নিৰ্দেশনা পোৱা নাই।

(ঙ) চলিত বিত্তীয় বৰ্ষত ৰাজ্যখনত ১৭৩৩ টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি অসম বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

**************